৩ পৃষ্ঠাত
৪ পৃষ্ঠাত
১০ পৃষ্ঠাত


# অসম আদিত্য

RNI REGN. N
epaper
Portal : w
e-mail : a

৮ মাঘ, ১৯৪৭ শক ■ দেওবাৰ, ১ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, February 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা



চৰ্মৰোগ অ
মহানিমৰ পা
এই উপকৰণ
আৰাম পো
পাত ভাজি


লেহে ব্যস্ত থাকে
ক কটাক্ষ গৌৰৱৰ

## ৰ কথা
## ্যমন্ত্ৰীয়ে

ঃ হিমন্ত বিশ্ব শৰ্মাই কেৱল গৰু নতুন অসমৰ কথা বুজি নাপায়। হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যক ৰে কয় অসম প্ৰদেশ ৬ পৃষ্ঠাত

## জাতীয় পৰিষদৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩১ জানুৱাৰী ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ দুদিনীয়া ২ পৃষ্ঠাত

## আজি বাজেট দাখিল কৰিব সীতাৰমনে

নতুন দিল্লী, ৩১ জানুৱাৰী ঃ জিডিপি বাঢ়িলে কি হ'ব, দেশত ওলোৱা নাই চাকৰি। অৰ্থনৈতিক জৰীপত ২ পৃষ্ঠাত

### শিপা পাহৰি যোৱা জাতিয়ে ইতিহাস সৃষ্টি কৰিব নোৱাৰে ঃ ড° শশীকান্ত শইকীয়া

## পুলিন-পুথাওক স্মৰণেৰে মে-ডাম-মে-ফী উদ্‌যাপন



ষ্টাফ ৰিপৰ্টাৰ, ৩১ জানুৱাৰী ঃ নিজৰ ইতিহাস পাহৰি যোৱা জাতিয়ে কেতিয়াও নতুন ইতিহাস সৃষ্টি কৰিব নোৱাৰে। যি জাতিয়ে পূৰ্বপুৰুষৰ ইতিহাস পাহৰি যায় সেই জাতিৰ কোনো ভৱিষ্যৎ নাই। জাতিৰ শিপা অনুভৱ আৰু উপলব্ধি কৰা জাতিয়ে পৃথিৱীত ইতিহাস সৃষ্টি কৰিব পাৰে। ৭ পৃষ্ঠাত

